# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-06-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

::::::::::::::::::::::::::::::::::

১। গুৱাহাটীৰ সোণাপুৰত আজিৰে পৰা দ্বিতীয় উত্তৰ-পূব ভূতত্ব আৰু খনি মন্ত্ৰীসকলৰ সন্মিলন।

২। প্ৰাপ্ত বয়স্ক লোকক আধাৰ কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত থকা নিয়মাৱলী অধিক কঠোৰ কৰি তোলাৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

৩। শিৱসাগৰ জিলাৰ ভটিয়াপাৰৰ তৈল খাদটোৰ গেছ নিৰ্গমন ৰোধ কৰাৰ ক্ষেত্ৰত বিশেষজ্ঞসকলৰ সফলতা।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি জগন্নাথ প্ৰভুৰ ৰথ যাত্ৰা উদ্‌যাপন। ***আৰু***

৫। কামৰূপ মহানগৰ জিলাত অহা ১ জুলাইত আন্তবিদ্যালয় ফুটবল আৰু হকী প্ৰতিযোগিতা আৰম্ভ।

০০০০

আজিৰে পৰা গুৱাহাটীৰ সোণাপুৰত দ্বিতীয় উত্তৰ-পূব ভূতত্ব আৰু খনি মন্ত্ৰীসকলৰ সন্মিলন অনুষ্ঠিত হৈছে। সন্মিলনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে খনি আৰু খনিজাত পদাৰ্থ সঠিকভাৱে অন্বেষণৰ জৰিয়তে অসমৰ অৰ্থনীতি শক্তিশালী কৰাৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। খনিজ খণ্ডৰ অন্বেষণমূলক কাম-কাজসমূহ বৃদ্ধি কৰাৰ বাবে অসম ৰাজ্যিক খনিজ অন্বেষণ ন্যাস গঠনত অনুমোদন জনোৱা হৈছে। ড০ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীতিগত হস্তক্ষেপৰ বাবেই উত্তৰ-পূৰ্বাঞ্চলত দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা কয়লা ক্ষেত্ৰসমূহ মুকলি হ'ল আৰু বৰ্তমান ইয়াৰ সুফল লাভ কৰা হৈছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে খনিজ সম্পদ আহৰণৰ জৰিয়তে আদায় হোৱা ৰাজহৰ জৰিয়তে প্ৰতিখন ৰাজ্য উপকৃত হ'ব।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

মুখ্যমন্ত্ৰীয়ে কয়, যে ডিমাহাচাও জিলাৰ বড়ো হাংডুং আৰু উমৰাংচু অঞ্চলত সাতটা চুনশিল ব্লকৰ নিলামৰ কাম আৰম্ভ হৈছে। ইতিমধ্যে পাঁচটা চুনশিল ব্লকৰ নিলাম সফলভাৱে সম্পন্ন হৈছে আৰু দুটা ব্লকৰ নিলাম প্ৰক্ৰিয়া চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয়, যে কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাকে ধৰি পাহাৰীয়া জিলাসমূহত খনিজ সম্পদৰ অন্বেষণৰ বাবে বৃস্তিত ৰূপৰেখা প্ৰস্তুত কৰা হৈছে আৰু ইয়াৰ জৰিয়তে খনিজ সম্পদৰ যথাযথ ব্যৱহাৰ সুনিশ্চিত কৰা হ'ব।

অসমত প্ৰস্তাৱিত তিনি হাজাৰ ৪০০ মেগাৱাট তাপবিদ্যুৎ প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে কয়লা যোগান ধৰাৰ আশ্বাস দিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষান ৰেড্ডীয়ে তেওঁৰ ভাষণত কয়, যে দেশৰ খনি আৰু শক্তি খণ্ডৰ বিকাশত উত্তৰ-পূৰ্বাঞ্চলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণৰ সম্ভাৱনা

আছে। তেওঁ কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ বাবে ৰাজ্য ভিত্তিক খনি পৰিকল্পনা ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলৰ ভূ-তাত্বিক সম্ভাৱনীয়তা বিষয়ক ৰূপৰেখা পত্ৰও উদ্বোধন কৰা হয়। দুদিনীয়া এই সন্মিলনত কয়লা আৰু খনি বিভাগৰ ৰাজ্য মন্ত্ৰী সতীশ চন্দ্ৰ ডুবে তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ খনিমন্ত্ৰীসকলে অংশগ্ৰহণ কৰে।

০০০০

ৰাজ্য চৰকাৰে প্ৰাপ্ত বয়স্ক লোকক আধাৰ কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত থকা নিয়মাৱলী অধিক কঠোৰ কৰি তোলাৰ সিদ্ধান্ত লৈছে। এই অনুসৰি ১৮ বছৰৰ উৰ্ধৰ আধাৰৰ বাবে আবেদন কৰা লোকৰ তথ্যপাতিসমূহ অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰা হ'ব আৰু জিলা আয়ুক্তইহে তেওঁলোকক আধাৰ কাৰ্ড প্ৰদান কৰিব। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত অসম মন্ত্ৰীসভাৰ বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বাংলাদেশৰ পৰা অবৈধভাৱে অসমলৈ অহা লোকে যাতে আধাৰ কাৰ্ড লাভ কৰিব নোৱাৰে তাৰ বাবে এই ব্যৱস্থা লোৱা হৈছে। আধাৰ কাৰ্ডৰ বাবে আবেদন কৰোঁতে অথবা ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত পৰৱৰ্তী সময়ত জন্মৰ প্ৰমাণ পত্ৰৰ প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

আজিৰ বৈঠকত আন কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তও গ্ৰহণ কৰা হয়। নামঘৰ, মন্দিৰ, মহিলা সমিতি আদিৰ বাবে ভূমি অধিকাৰত অনুমোদন জনোৱা হয়। তদুপৰি শিক্ষানুষ্ঠান আৰু সামাজিক, সাংস্কৃতিক সংগঠনৰ বাবে এহেজাৰৰো অধিক ভূমি অধিকাৰত অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাই এতিয়াৰে পৰা জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতিৰ নিৰ্বাচন প্ৰক্ৰিয়া লটাৰীৰ জৰিয়তে সম্পন্ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইপিনে, মৰাণ আৰু মটক স্বায়ত্ব পৰিষদৰ নিৰ্বাচনত কেৱল মৰাণ আৰু মটক সম্প্ৰদায়ৰ লোককহে ভোটদানৰ অধিকাৰ প্ৰদানৰ বিষয়টোতো মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০

শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰৰ ভটিয়াপাৰৰ ১৪৭ নম্বৰ তৈল খাদটোৰ গেছ নিৰ্গমন ১৬ দিনৰ পাছত অৱশেষত আজি বিশেষজ্ঞসকলে ৰোধ কৰিবলৈ সমৰ্থ হয়। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ১২ জুনত আৰম্ভ হোৱা এই বিপজ্জনক গেছ নিৰ্গমন অ' এন জি চিৰ সংকট ব্যৱস্থাপনা দলে আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ সহায়ত স্থায়ীভাৱে বন্ধ কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে বিগত এসপ্তাহ ধৰি প্ৰতিকূল পৰিস্থিতিকো নেওচি আমেৰিকাৰ বিশেষজ্ঞ দলৰ নেতৃত্বত খাদটোৰ গেছ নিৰ্গমন ৰোধ কৰি সম্পূৰ্ণৰূপে বন্ধ কৰাৰ প্ৰচেষ্টা চলাই থকা হৈছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সফলতাৰ বাবে অ' এন জি চি আৰু প্ৰশাসনৰ প্ৰচেষ্টাৰ শলাগ লয়। তেওঁ বিশেষকৈ বিগত দিনকেইটাত অপৰিসীম ধৈৰ্য্য আৰু বিশ্বাসেৰে সংশ্লিষ্ট সংস্থাৰ সৈতে সহযোগিতা আগবঢ়োৱাৰ বাবে ক্ষতিগ্ৰস্ত অঞ্চলটোৰ জনসাধাৰণৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

০০০০

শৰাইঘাট দলঙৰ উত্তৰপাৰে থকা আগিয়াঠুৰী ৰে'ল ষ্টেচনৰ নাম ৰে'ল বিভাগক শুদ্ধকৈ লিখাৰ বাবে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ নেতৃত্বত এটা দলে আজি কামৰূপ জিলাৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে, দীৰ্ঘদিন ধৰি এই ষ্টেচনটোৰ নাম ইংৰাজীত **আগথুৰি** বুলি লিখি অহা হৈছিল। জিলা আয়ুক্তগৰাকীয়ে এই স্মাৰকপত্ৰ গ্ৰহণ কৰি আগিয়াঠুৰী

নামটো শুদ্ধ ৰূপত লিখাৰ বাবে শীঘ্ৰে ৰে'ল বিভাগলৈ পত্ৰ প্ৰেৰণ কৰিব বুলি আশ্বাস দিয়ে। জিলা আয়ুক্তগৰাকীয়ে লগতে কামৰূপ জিলাৰ ঐতিহাসিক স্থানসমূহৰ লগতে উন্নয়নমূলক কামৰ অগ্ৰগতিৰ ক্ষেত্ৰত এটা তথ্য ভিত্তিক আলোচনা যুগুত কৰিবলৈও আকাশবাণীৰ বাতৰি বিভাগক আহ্বান জনায়।

০০০০

সমাগত বিটিচি নিৰ্বাচনক লৈ বাক্সা জিলাৰ আটাইকেইটা পৰিষদীয় সমষ্টিতে বিজেপিৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ বাবে প্ৰস্তুতি চলিছে। বাক্সা জিলা বিজেপিৰ শালবাৰী মণ্ডলক লৈ শালবাৰীত আম্বেদকাৰ ভৱনত আজি অনুষ্ঠিত এখন মণ্ডল কাৰ্যনিৰ্বাহক সভাত সমাগত নিৰ্বাচন সন্দৰ্ভত দলীয় নেতাকৰ্মীৰ মাজত আলোচনা হয়। এই সভাত কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, বিধায়ক ফণীধৰ তালুকদাৰ, বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাস, বাক্সা জিলা বিজেপিৰ সভাপতি দীনেশ বসুয়ে অংশগ্ৰহণ কৰে। বাক্সা জিলা বিজেপিয়ে দলীয় হাইকমাণ্ডক জিলাখনৰ প্ৰতিটো পৰিষদীয় সমষ্টিতে বিজেপিৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ বাবে অনুৰোধ জনায়। আটাইকেইটা সমষ্টিতে বিজেপিৰ প্ৰাৰ্থী জয়যুক্ত হ'ব বুলিও আজিৰ সভাত জিলা সমিতিৰ সভাপতিগৰাকীয়ে দৃঢ়তাৰে প্ৰকাশ কৰে।

০০০০

ভাৰত-ভূটান সীমান্ত আৰু বাক্সা জিলাৰ সীমামুৰীয়া চিৰাং জিলাৰ অন্তৰ্গত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কুকলুং সংমণ্ডলৰ বনাঞ্চলত বন বিভাগ আৰু চোৰাং চিকাৰীৰ মাজত প্ৰচণ্ড গুলিয়াগুলিৰ সৃষ্টি হোৱা বুলি বন বিভাগৰ এটা সূত্ৰই জানিবলৈ দিছে। এই গুলিয়াগুলিত এজন চোৰাং চিকাৰী আহত হোৱাৰ সন্দেহ কৰা হৈছে। ইপিনে, বনকৰ্মীসকলে আন এজন চোৰাং চিকাৰীক অস্ত্ৰ শস্ত্ৰ সহ আটক কৰিবলৈ সমৰ্থ হৈছে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক চি ৰমেশ, বন বিষয়া নয়ন পাঠক আৰু পাপৰি কছাৰিৰ নেতৃত্বত চোৰাং চিকাৰীৰ বিৰুদ্ধে উদ্যানখনত এই অভিযান চলিছিল বুলি সূত্ৰটোৱে সদৰি কৰিছে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি জগন্নাথ মহাপ্ৰভুৰ ৰথ যাত্ৰা উলিওৱা হয়। ডিব্ৰুগড় জিলাৰ খনিকৰত থকা শ্ৰীশ্ৰী জগন্নাথ মন্দিৰত ধৰ্মীয় ৰীতি-নীতিৰে উৎসৱমুখৰ পৰিৱেশত ৰথ যাত্ৰা উলিওৱা হয়। এই ৰথ যাত্ৰাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই অংশ লয়। ভগৱান জগন্নাথ, সুভদ্ৰা আৰু বলভদ্ৰৰ বাবে পৃথকে পৃথকে তিনিখন ৰথত এই যাত্ৰা কৰা হয়। অগণন ভক্তৰ উপস্থিতিত আয়োজন কৰা এই ৰথ যাত্ৰাৰ লগত সংগতি ৰাখি মন্দিৰ প্ৰাংগণত পূজা-অৰ্চনা, সংকীৰ্তন আৰু অন্যান্য ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হয়।

বৰপেটা জিলাটো আজি শ্ৰী শ্ৰী জগন্নাথ মহাপ্ৰভুৰ ৰথ যাত্ৰা উলিওৱা হয়। বৰপেটা চহৰত ৰাম মন্দিৰৰ পৰা উলিওৱা এই ৰথ যাত্ৰাত বহু সংখ্যক ভক্তই অংশগ্ৰহণ কৰে। শিলচৰতো ৰথ যাত্ৰা উপলক্ষে উৎসৱমুখৰ পৰিৱেশ দেখা পোৱা যায়। শিলচৰৰ ইস্কন মন্দিৰৰ পৰা প্ৰাৰ্থনা আৰু বৈদিক পৰম্পৰাগত ৰীতি অনুসৰি এই যাত্ৰা উলিওৱা হয়। অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ৰাজীৱ মোহন পন্থ আৰু শিলচৰৰ বিধায়ক দিপায়ন চক্ৰৱৰ্তীয়ে এই যাত্ৰাত অংশ লয়। ধুবুৰীৰ ভাৰত-বাংলাদেশ সীমান্তৰ সত্ৰশালৰ ৰামৰায় কুতী সত্ৰতো বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুৰ ৰথ যাত্ৰা উলিওৱা হয়।

০০০০

ৰাজ্যিক স্তৰৰ নিযুক্তি আয়োগৰ তৃতীয়বৰ্গৰ গাড়ী চলোৱা দক্ষতা পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰা ডিমা হাচাও আৰু বৰাক উপত্যকাৰ প্ৰাৰ্থীসকলৰ বাবে ৰাজ্য চৰকাৰে এটা নতুন তাৰিখত তেওঁলোকক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ প্ৰদান কৰি বিশেষ নিৰ্দেশনা জাৰি কৰিছে। ডিমা হাচাও জিলাৰ অন্তৰ্গত ২৭ নম্বৰ ৰাষ্ট্ৰীয়

ঘাইপথৰ জাতিংগা আৰু লামপুৰৰ মাজত হোৱা প্ৰবল ভূমিস্খলনৰ বাবে যোগাযোগ ব্যাহত হোৱাত প্ৰাৰ্থীসকলে এই পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিলে। এনে প্ৰাৰ্থীসকলক তেওঁলোকৰ প্ৰৱেশপত্ৰ স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰসহ ই-মেইল যোগে প্ৰেৰণ কৰিবলৈ আহ্বান জনোৱা হৈছে। প্ৰাৰ্থীসকলে SLRC3ASSAM@GMAIL.COMত আয়োগলৈ সংশ্লিষ্ট তথ্যপাতি প্ৰেৰণ কৰিব পাৰিব।

০০০০

অনুসন্ধান নেচনেল ৰিচাৰ্চ ফাউণ্ডেছন আৰু জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ অৰ্থসাহায্যৰে মাজুলী মহাবিদ্যালয়ত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ আজিৰে পৰা আৰম্ভ হৈছে। মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান বিভাগ আৰু ইকো ক্লাৱ তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত অনুষ্ঠিত আলোচনাচক্ৰখন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই উদ্বোধন কৰে। অনুষ্ঠানত নতুন দিল্লীৰ টেৰিচাচৰ অধ্যাপক ড° শশীভূষণ ত্ৰিপাঠিয়ে জলবায়ু পৰিৱৰ্তন আৰু জৈৱ বৈচিত্ৰৰ ওপৰত ইয়াৰ প্ৰভাৱ সন্দৰ্ভত আলোকপাত কৰে। আজি বিয়লিৰ ভাগত অনুষ্ঠিত ৪ খনকৈ আলোচনা সত্ৰত বহুকেইগৰাকী অধ্যাপক তথা গৱেষকে নিজৰ গৱেষণা পত্ৰ উপস্থাপন কৰে। এই আলোচনাচক্ৰত দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ২ শতাধিক অংশগ্ৰহণকাৰীয়ে নিজৰ গৱেষণা পত্ৰ পাঠ কৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলাত অহা ১ৰ পৰা ৪ জুলাইলৈ আন্তঃবিদ্যালয় ফুটবল আৰু হকী প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ফুটবল প্ৰতিযোগিতাসমূহ তিনিটা শাখাত অনুষ্ঠিত হ'ব। ১৫ বছৰ অনুৰ্ধৰ ল'ৰাৰ পিলিক চৌধুৰী সোঁৱৰণী ফুটবল, ১৭ বছৰ অনুৰ্ধৰ ল'ৰাৰ দেওকন সোঁৱৰণী ট্ৰফী আৰু ১৭ বছৰ অনুৰ্ধ ছোৱালীৰ নৃপেন্দ্ৰ নাৰায়ণ সিংহ সোঁৱৰণী ট্ৰফী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ নাম নিজৰ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ জৰিয়তে পৰহিলৈৰ ভিতৰত কামৰূপ মহানগৰ জিলাৰ ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ত জমা দিব লাগিব।০

০০০০

সমাপ্ত